# 2023

Jawaharlal Nehru College Library
Estd.-1964
Boko, Dist. Kamrup

## ASSAMESE

Paper : ASM–HC–2026

**( Sahitya Samalochana )**

( Honours Core )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) ভৰত মুনিৰ মতে ৰস কেইপ্ৰকাৰৰ?

(খ) ধ্বনিৰ প্ৰাধান্যৰ ভিত্তিত কৰা শ্ৰেণীবিভাগ অনুসৰি কোনবিধ কাব্যক শ্ৰেষ্ঠ কাব্য বোলা হয়?

(গ) বামনৰ মতে ৰীতি কেইপ্ৰকাৰৰ?

(ঘ) প্ৰতীকবাদৰ পথিকৃৎ বুলি কোনজন কবিক কোৱা হয়?

(ঙ) চিত্ৰকল্পবাদৰ প্ৰতিষ্ঠাত মুখ্য ভূমিকা লোৱা এগৰাকী আমেৰিকান কবিৰ নাম উল্লেখ কৰা।

(চ) ট্ৰেজেডিৰ উৎপত্তি কোন দেশত হৈছিল?

(ছ) চেমুৱেল বেকেটে ৰচনা কৰা এখন এবছাৰ্ড নাটকৰ নাম লিখা।

(জ) এপিক থিয়েটাৰৰ প্ৰৱৰ্তক কোন?

(ঝ) 'প্ৰতীতিৰ ঐক্যৰূপ'ক (unity of impression) কোনজন সমালোচকে চুটিগল্পৰ প্ৰাণ বুলি কৈছে?

(ঞ) উপন্যাসৰ চৰিত্ৰক কেইটা ভাগত ভগোৱা হয়?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) গৌড়ীয় ৰীতিত কি দুটা গুণৰ প্ৰাধান্য থাকে?

(খ) যি কোনো দুটা স্থায়ীভাবৰ নাম লিখা।

(গ) ট্ৰেজেডিৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(ঘ) এবছাৰ্ড নাট্যধাৰাৰ প্ৰভাব থকা দুখন অসমীয়া নাটকৰ নাম উল্লেখ কৰা।

(ঙ) উপন্যাসৰ কাহিনী উপস্থাপনৰ ঘাই পদ্ধতি দুটা কি কি?

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) কৰুণ অথবা শৃংগাৰ ৰসৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(খ) ট্ৰেজেডিৰ নায়কৰ বৈশিষ্ট্যৰাজি কেনেধৰণৰ, আলোচনা কৰা।

(গ) এবছাৰ্ড নাটকৰ স্বৰূপ সম্পৰ্কে আলোচনা কৰা।





(ঘ) ব্ৰেখ্‌টে এপিক থিয়েটাৰক কিয় মাৰ্ক্সীয় থিয়েটাৰ বুলি কৈছিল, আলোচনা কৰা।

(ঙ) চুটিগল্পৰ বিষয়বস্তু কেনে হ'ব লাগে—এই সম্পৰ্কে বিভিন্ন সমালোচকৰ মন্তব্যৰ আধাৰত আলোচনা কৰা।

(চ) উপন্যাসৰ চক্ৰাকাৰ চৰিত্ৰ সম্পৰ্কে উদাহৰণসহ আলোচনা কৰা।

৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) ৰস নিষ্পত্তি কিদৰে হয়, আলোচনা কৰা। ১০

(খ) শব্দশক্তি কেইপ্ৰকাৰৰ আৰু কি কি? প্ৰতিবিধৰ বিষয়ে চমুকৈ লিখা। ১+৩+৬=১০

(গ) ভাৰতীয় অলংকাৰ শাস্ত্ৰত ধ্বনি বুলিলে কি বুজা যায়? ধ্বনিতত্ত্বৰ প্ৰৱৰ্তক কোন? ধ্বনিকাব্যৰ স্বৰূপ সম্পৰ্কে আলোচনা কৰা। ৩+১+৬=১০

(ঘ) প্ৰতীকবাদ সম্পৰ্কে এটি চমু নিবন্ধ যুগুত কৰা। ১০

(ঙ) কবিতাত চিত্ৰকল্প বুলিলে কি বুজা যায়? অসমীয়া কবিতাত চিত্ৰকল্পৰ প্ৰয়োগ কিদৰে হৈছে, আলোচনা কৰা। ১০

(চ) ব্ৰেখ্‌টে কি লক্ষ্য আৰু উদ্দেশ্যৰে এপিক থিয়েটাৰ সৃষ্টি কৰিছিল? এপিক থিয়েটাৰৰ স্বৰূপ সম্পৰ্কে আলোচনা কৰা। ৪+৬=১০

(ছ) চুটিগল্পৰ কলা-কৌশল সম্পৰ্কে আলোচনা কৰি এটি চমু নিবন্ধ লিখা। ১০

(জ) "গাঁথনিৰ আধাৰত উপন্যাসৰ কাহিনী স্থূল দৃষ্টিত দুবিধ।" এই দুবিধ কাহিনী কি কি? এখন উপন্যাসৰ কাহিনীৰ আলমত যি কোনো এবিধৰ বিষয়ে আলোচনা কৰা। ১০

★★★